NEWZ NOW

সংখ্যা ২২ | দেওবাৰ, ১৫ নৱেম্বৰ ২০২৬ | অসমৰ ডিজিটেল বাতৰি কাকত

অসম

অসমত ১,১৬,৯৪৬ ঘোষিত বিদেশীক আটক-বহিষ্কাৰ কৰা হোৱা নাই: উচ্চ ন্যায়ালয়

অসমত বিদেশী বুলি ঘোষণা কৰা ১,১৬,৯৪৬গৰাকী লোকক ৩০ জুন, ২০২৬লৈকে আটক বা বহিষ্কাৰ কৰা হোৱা নাই বুলি গুৱাহাটী উচ্চ ন্যায়ালয়ে উল্লেখ কৰিছে।



NewzNow ডেস্ক | ১৫ নৱেম্বৰ ২০২৬, নিশা ৭:৪৭

গুৱাহাটী, ১৫ নৱেম্বৰ: অসমত বিদেশী বুলি ঘোষণা কৰা ১ লাখ ১৬ হাজাৰ ৯৪৬গৰাকী লোকক এতিয়াও আটক কৰি বহিষ্কাৰ কৰিব পৰা হোৱা নাই। বিদেশী নাগৰিকক বহিষ্কাৰ কৰাৰ এই পৰিস্থিতিক 'অতি উদ্বেগজনক' বুলি অভিহিত কৰিছে গুৱাহাটী উচ্চ ন্যায়ালয়ে।

১০ নৱেম্বৰত ন্যায়াধীশ কল্যাণ ৰায় সুৰানা আৰু মৃদুল কুমাৰ কলিতাৰ খণ্ড বিচাৰপীঠে হামিদা বেগম নামৰ এগৰাকী মহিলাৰ আবেদন খাৰিজ কৰাৰ সময়ত এই মন্তব্য কৰে।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/3430

ৰাজনীতি

ছোনিয়া গান্ধীৰ কিতাপ কিনিবলৈ ১,২০০ টকা নাইঃ মুখ্যমন্ত্রী



১৫ নৱেম্বৰ: কংগ্রেছ নেত্রী ছোনিয়া গান্ধীৰ সদ্য প্রকাশিত গ্রন্থখন এতিয়ালৈকে ক্রয় কৰা নাই বা পঢ়া নাই বুলি জনাইছে অসমৰ মুখ্যমন্ত্রী হিমন্ত বিশ্ব শর্ম...
পঢ়ক: https://newznow.in/news/3381

অসম

"ড০ ৰণোজ পেগু আচল মিচিং নহয়, নকলি মিচিং": ৰিপুন বৰা



গহপুৰ: মিচিং স্বায়ত্তশাসিত পৰিষদৰ আগন্তুক নির্বাচনক কেন্দ্র কৰি গহপুৰত ৰাজনৈতিক উত্তাপ বৃদ্ধি পোৱাৰ সময়তে শিক্ষা মন্ত্রী ড০ ৰণোজ পেগুক লক্ষ্য কৰি বি...
পঢ়ক: https://newznow.in/news/3386

অসম

১৯ নৱেম্বৰৰ ভিতৰত বানপীড়িতক ক্ষতিপূৰণ নিদিলে তীব্র আন্দোলনৰ হুংকাৰ অখিল গগৈৰ



শিৱসাগৰ, ১৫ নৱেম্বৰ:
চাৰি মাহ পাছতো বান সাহায্যৰ পৰা বঞ্চিত বহু পৰিয়াল! ১০ লাখ টকাৰ ক্ষতিপূৰণ দাবী অখিল গগৈৰ
পঢ়ক: https://newznow.in/news/3407

আন্তঃৰাষ্ট্রীয়

শ্বেখ হাছিনাৰ বাংলাদেশলৈ প্রত্যাৱর্তনক লৈ ভাৰতৰ দুটা চর্ত!



বাংলাদেশৰ প্রাক্তন প্রধানমন্ত্রী শ্বেখ হাছিনাক স্বদেশলৈ ঘুৰাই পঠিওৱাৰ ক্ষেত্রত ভাৰতৰ দুটা চর্ত থাকিব পাৰে বুলি জানিব পৰা গৈছে।
পঢ়ক: https://newznow.in/news/3398

ভিতৰৰ পাতত

ৰাজনীতি: ৰাহুল গান্ধীৰ সন্মুখত ইটালীৰ নেতাৰ...
অসম: ৰঙাজান দুর্ঘটনা: ট্রেভেলাৰখনৰ মালি...
দেশ: ১৯২গৰাকী যাত্রী কঢ়িয়াই আনা পুনেৰ...
দেশ: ২০২৪ৰ লোকসভা নির্বাচনৰ বৈধতাক লৈ ৰ...

ৰাজনীতি

ৰাহুল গান্ধীৰ সন্মুখত ইটালীৰ নেতাৰ 'ভোট চোৰে গাদী এৰক' শ্লোগান, বিজেপি-বিআৰএছৰ সমালোচনা

শ্বাহ আলম | ১৫ নৱেম্বৰ ২০২৬, পুৱা ১১:১৪



হায়দৰাবাদ, ১৫ নৱেম্বৰ: কংগ্ৰেছে আয়োজন কৰা 'ভাৰত সন্মিলন ২০২৬'ত ইটালীয় নেতা তথা ইউৰোপীয় ছ'চিয়েলিষ্ট পার্টিৰ মহাসচিব জিয়াকোমো ফিলিবেকে 'ভোট চোৰ, গাদী এৰক' বুলি শ্লোগান দিয়াক লৈ বিতর্কৰ সৃষ্টি হৈছে। লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধীৰ উপস্থিতিত দিয়া এই শ্লোগানক লৈ বিজেপি আৰু ভাৰত ৰাষ্ট্ৰ সমিতিয়ে কংগ্ৰেছক সমালোচনা কৰিছে।


তেলেংগানাৰ ৰাজধানী হায়দৰাবাদত অনুষ্ঠিত সন্মিলনখনত ভাষণ দি ফিলিবেকে ভাৰতৰ ভোটাৰ তালিকাৰ বিশেষ সংশোধনীক লৈ চলি থকা বিতর্কৰ প্ৰসংগ উত্থাপন কৰে।

বাকী অংশ ৰেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/3173

দেশ

১৯২গৰাকী যাত্ৰী কঢ়িয়াই আনা পুনেৰ পৰা গুৱাহাটী অভিমুখী ইণ্ডিগ'ৰ বিমানত কাৰিকৰী বিজুতি

NewzNow ডেস্ক | ১৫ নৱেম্বৰ ২০২৬, আবেলি ৫:২৪



পুনে, ১৫ নৱেম্বৰ: পুনেৰ পৰা গুৱাহাটী অভিমুখে ৰাওনা হোৱা ইণ্ডিগ'ৰ এখন বিমানত উৰণৰ কিছু সময় পিছতে কাৰিকৰী বিজুতি ধৰা পৰে। পাইলটৰ তৎপৰতাত বিমানখন পুনেৰ বিমানবন্দৰলৈ ঘু�ৰাই আনি নিৰাপদে অৱতৰণ কৰোৱা হয়। ঘটনাটোত কোনো লোক হতাহত হোৱা নাই।

ইণ্ডিগ'ৰ ৬ই ০৬২৩ নম্বৰৰ বিমানখনত যাত্ৰী আৰু বিমানকর্মীসহ মুঠ ১৯২গৰাকী লোক আছিল। উৰণৰ পিছতে বিমানখনৰ অৱতৰণৰ চকা বাহিৰ হৈ থকা বুলি পাইলটে বিমান পৰিবহণ নিয়ন্ত্ৰণ কেন্দ্ৰক অৱগত কৰে।

পৰিস্থিতিৰ গুৰুত্ব উপলব্ধি কৰি বিমানখন পুনেৰ বিমানবন্দৰলৈ ঘুৰাই অনাৰ সিদ্ধান্ত লোৱা হয়।

বাকী অংশ ৰেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/3349

অসম

ৰঙাজান দুর্ঘটনা: ট্ৰেভেলাৰখনৰ মালিকক দুদিনৰ আৰক্ষী জিম্মা

NewzNow জিলা ডেস্ক | ১৫ নৱেম্বৰ ২০২৬, পুৱা ৯:৫২




কাজিৰঙা, ১৫ নৱেম্বৰ: কাজিৰঙাৰ ৰঙাজানত সংঘটিত ভয়ংকৰ পথ দুর্ঘটনাৰ তদন্তত নতুন মোৰ। দুর্ঘটনাটোৰ সৈতে জড়িত ট্ৰেভেলাৰখনৰ মালিক অঞ্জিৰ আলীক দুদিনৰ বাবে আৰক্ষীৰ জিম্মালৈ প্ৰেৰণ কৰিছে আদালতে।

বাকী অংশ ৰেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/3136

আন্তঃৰাষ্ট্ৰীয়

মিয়ামি বিমানবন্দৰত দুই বিমানৰ সংঘর্ষ, আহত দুজন

NewzNow ডেস্ক | ১৫ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:৩৭



মিয়ামি, ১৫ নৱেম্বৰ: আমেৰিকাৰ মিয়ামি আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰত টেক্সিৰেত চলাচল কৰি থকা অৱস্থাত ইউপিএছৰ এখন কার্গো বিমান আৰু কোপা এয়াৰলাইনছৰ এখন যাত্ৰীবাহী বিমানৰ মাজত সংঘর্ষ সংঘটিত হৈছে। শনিবাৰে নিশা হোৱা এই ঘটনাত দুজন লোক সামান্য আহত হয়।

বাকী অংশ ৰেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/3319

দেশ

২০২৪ৰ লোকসভা নিৰ্বাচনৰ বৈধতাক লৈ ৰাহুল গান্ধীৰ প্ৰশ্ন

শ্বাহ আলম | ১৫ নৱেম্বৰ ২০২৬, আবেলি ৬:২৬



হায়দৰাবাদ, ১৪ নৱেম্বৰ: ২০২৪ চনৰ লোকসভা নিৰ্বাচনৰ বৈধতাক লৈ প্ৰশ্ন উত্থাপন কৰিছে কংগ্ৰেছ নেতা তথা লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধীয়ে।

শনিবাৰে হায়দৰাবাদত অনুষ্ঠিত 'ভাৰত সম্মিলন'ত ভাষণ দি তেওঁ নিৰ্বাচন আয়োগৰ বিৰুদ্ধে অভিযোগ কৰে যে, ২০২৪ৰ নিৰ্বাচনত ভোটদান কৰা ১৪ কোটি লোকক পৰৱৰ্তী সময়ত 'অস্তিত্ব নথকা ভোটাৰ' অথবা 'ভোট নিদিয়া লোক' হিচাপে গণ্য কৰা হৈছে।

তেওঁৰ দাবী অনুসৰি, এই সংখ্যা দেশৰ মুঠ ভোটাৰৰ প্ৰায় ১৩ শতাংশ। ২০১৪ চনৰ লোকসভা নিৰ্বাচনৰ পৰা দেশৰ নিৰ্বাচনী ব্যৱস্থাত পৰিৱৰ্তন আৰম্ভ হোৱা বুলিও তেওঁ অভিযোগ কৰে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/3101

আন্তঃৰাষ্ট্ৰীয়

তিনি বছৰৰ পাছত ভাৰতলৈ আহিব পাকিস্তানৰ মন্ত্ৰী, ২০-২২ নৱেম্বৰত নতুন দিল্লীত SCO বৈঠক

শ্বাহ আলম | ১৫ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:২৩



নতুন দিল্লী, ১৫ নৱেম্বৰ: তিনি বছৰৰো অধিক সময়ৰ বিৰতিৰ পাছত ভাৰত ভ্ৰমণলৈ আহিব পাকিস্তানৰ এগৰাকী কেন্দ্ৰীয় মন্ত্ৰী।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/3303

অসম

'হিমন্ত বিশ্ব শৰ্মাৰ নাম শুনিলেই ভৱিষ্যত প্ৰজন্মই মুখ্যমন্ত্ৰী বুলি ক'বলৈ লাজ কৰিব'-গৰজি উঠিল আমছু

NewzNow ডেস্ক | ১৫ নৱেম্বৰ ২০২৬, আবেলি ৬:৫১



নতুন দিল্লী, ১৫ নৱেম্বৰ: ৩০০ ঘৰৰ ১৭৩ ঘৰতহে উচ্ছেদ চলাইছে চৰকাৱে।১২৭ খন মানুহ মুছলমান নোহোৱাৰ বাবেই উচ্ছেদ নকৰিলে চৰকাৱে।কেৱল মুছলমানকেই কিয় বাছি বাছি অপবাদ দি উচ্ছেদ কৰিছে অসম চৰকাৱে। অসমৰ উচ্ছেদ অভিযানক লৈ দিল্লীত সৰৱ হৈ পৰিছে সদৌ অসম সংখ্যালঘু ছাত্ৰ সন্থা চমুকৈ আমছু। ৰাজ্য চৰকাৰৰ উচ্ছেদ অভিযানত মুছলমান লোকক লক্ষ্য কৰি লোৱা হৈছে বুলি অভিযোগ উত্থাপন কৰি সংগঠনটোৱে প্ৰতিবাদ সাব্যস্ত কৰিছে।

আমছুৰ অভিযোগ, অসমত চৰকাৱে বাছি বাছি মুছলমান লোকৰ বাসগৃহ আৰু ভূমিত উচ্ছেদ অভিযান চলাইছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/3412

উত্তৰ-পূৰ্বাঞ্চল

মণিপুৰ সীমান্তত ম্যানমাৰৰ নাগৰিক গ্ৰেপ্তাৰ, এ কে-৪৭সহ অস্ত্ৰ উদ্ধাৰ

NewzNow ডেস্ক | ১৫ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:২২



টেংনৌপাল, ১৫ নৱেম্বৰ: মণিপুৰৰ টেংনৌপাল জিলাৰ ভাৰত-ম্যানমাৰ আন্তঃৰাষ্ট্ৰীয় সীমান্তত অভিযান চলাই অসম ৰাইফলছে এগৰাকী ম্যানমাৰৰ নাগৰিকক গ্ৰেপ্তাৰ কৰিছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/3282

ৰাজনীতি

'TMC চৰকাৰে কেৱল মুছলমানকহে সংখ্যালঘু বুলি গণ্য কৰিছিল' - পূৰ্বৰ চৰকাৰক সমালোচনা পশ্চিমবংগৰ মুখ্যমন্ত্রী শুভেন্দু অধিকাৰীৰ

শ্বাহ আলম | ১৫ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:১২



কলকাতা, ১৫ নৱেম্বৰ: পশ্চিমবংগৰ পূৰ্বৰ তৃণমূল কংগ্রেছ চৰকাৰে কেৱল মুছলমান সম্প্রদায়কহে সংখ্যালঘু হিচাপে গণ্য কৰিছিল বুলি অভিযোগ উত্থাপন কৰিছে ৰাজ্যখনৰ মুখ্যমন্ত্রী শুভেন্দু অধিকাৰীয়ে।

দেওবাৰে কলকাতাৰ বুৰ্ৱাবজাৰত অৱস্থিত গুৰুদ্বাৰা বড়া শিখ সংগঠনত উপস্থিত হৈ শিখ সম্প্রদায়ৰ লোকসকলৰ সৈতে মত বিনিময় কৰাৰ সময়ত মুখ্যমন্ত্রীগৰাকীয়ে এই মন্তব্য কৰে।

পূৰ্বৰ তৃণমূল কংগ্রেছ চৰকাৰে কেৱল মুছলমানসকলকহে সংখ্যালঘু হিচাপে বিবেচনা কৰিছিল বুলি তেওঁ অভিযোগ কৰে। শিখ সম্প্রদায়ৰ দেশপ্রেমৰ প্রশংসা কৰি তেওঁলোকক 'প্রকৃত দেশপ্রেমী' বুলিও অভিহিত কৰে অধিকাৰীয়ে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/3299

দেশ

অমিতাভ বচ্চনৰ বাসগৃহৰ সন্মুখত গুলীচালনাৰ পৰিকল্পনাৰ অভিযোগত দুজন গ্রেপ্তাৰ

শ্বাহ আলম | ১৫ নৱেম্বৰ ২০২৬, পুৱা ১০:৩৪



অমিতাভ বচ্চনৰ বাসগৃহৰ সন্মুখত গুলীচালনাৰ পৰিকল্পনা কৰাৰ অভিযোগত দিল্লী আৰক্ষীৰ বিশেষ কোষে দুজন লোকক গ্রেপ্তাৰ কৰিছে। গ্রেপ্তাৰ হোৱা লোক দুজনৰ এজন অমৃতসৰৰ ইনষ্টাগ্রামৰ প্রভাৱশালী ব্যক্তি মাড সন্ধুৰ হত্যাকাণ্ডৰ সৈতে জড়িত বুলি আৰক্ষীয়ে সন্দেহ কৰিছে।

আৰক্ষীৰ সূত্র অনুসৰি, বিদেশত থকা এজন গেংষ্টাৰৰ নির্দেশত অভিযুক্ত দীপক সিং ওৰফে দীপকে মুম্বাইত অধিক সময় থাকিবলৈ পৰিকল্পনা কৰিছিল। তেওঁৰ লক্ষ্য আছিল অমিতাভ বচ্চনৰ বাসগৃহৰ সন্মুখত গুলীচালনা কৰা।

১৯৮৪ চনৰ শিখবিৰোধী হিংসাক লৈ অমিতাভ বচ্চনে কৰা বুলি দাবী কৰা এক মন্তব্যৰ প্রতিশোধ হিচাপে এই আক্রমণৰ পৰিকল্পনা কৰা হৈছিল বুলি আৰক্ষীৰ সূত্রই জনাইছে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/3153

আন্তঃৰাষ্ট্রীয়

মৃত্যুদণ্ডৰ বিশ্বজুৰি স্থগিতাদেশৰ ৰাষ্ট্রসংঘৰ UNGAত প্রস্তাৱত ভাৰতৰ বিৰোধিতা

NewzNow ডেস্ক | ১৫ নৱেম্বৰ ২০২৬, পুৱা ১১:৪১



মৃত্যুদণ্ড কার্যকৰী কৰাৰ ক্ষেত্রত বিশ্বজুৰি স্থগিতাদেশ জাৰি কৰাৰ বাবে ৰাষ্ট্রসংঘৰ সাধাৰণ পৰিষদত উত্থাপিত প্রস্তাৱৰ বিৰোধিতা কৰিছে ভাৰতে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/3237

দেশ

অমৃতপাল সিঙৰ পেৰ'লৰ দিন সলনিৰ আবেদন গ্রহণ নকৰিলে ডিব্রুগড় কাৰাগাৰ কর্তৃপক্ষই: অধিবক্তা

NewzNow ডেস্ক | ১৫ নৱেম্বৰ ২০২৬, পুৱা ১০:২৪



ডিব্রুগড়, ১৫ নৱেম্বৰ: আইতাকৰ শেষকৃত্যত অংশগ্রহণৰ বাবে আদালতৰ পৰা এদিনৰ কাৰাবন্দী পেৰ'ল লাভ কৰিও উপস্থিত থাকিব নোৱাৰিলে খাডুৰ চাহিবৰ সাংসদ অমৃতপাল সিং।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/3149

দেশ

'ইছলামৰ পৰা শিক্ষা লোৱা উচিত হিন্দুসকলে' - ইছলামৰ পৰা কি শিক্ষা ল'বলৈ হিন্দুসকলক ক'লে বিধায়ক ৰাজা ভাইয়াই ?

NewzNow ডেস্ক | ১৫ নৱেম্বৰ ২০২৬, পুৱা ১০:৪৯



লক্ষ্ণৌ, ১৫ নৱেম্বৰ: হিন্দুসকলৰ মাজত ঐক্য গঢ়ি তোলাৰ ক্ষেত্ৰত ইছলাম ধৰ্মৰ পৰা শিক্ষা লোৱা উচিত বুলি মন্তব্য কৰিছে উত্তৰ প্ৰদেশৰ বিধায়ক তথা জনসত্তা দল (লোকতান্ত্ৰিক)ৰ মুৰব্বী কুঁৱৰ ৰঘুৰাজ প্ৰতাপ সিং ওৰফে ৰাজা ভাইয়াই।

শনিবাৰে এক বাৰ্তালাপত হিন্দুসকলক একত্ৰিত কৰিব পৰা কোনো আদৰ্শ আছে নেকি বুলি সোধা প্ৰশ্নৰ উত্তৰত তেওঁ কয় যে, ইছলাম ধৰ্মৰ পৰা ঐক্যৰ শিক্ষা ল'ব লাগে।


ৰাজা ভাইয়াই কয়, বহু মুছলমান কংগ্ৰেছ, সমাজবাদী পাৰ্টী, আনকি বাওঁপন্থী দলতো আছে। কিন্তু ৰাজনৈতিক দল বেলেগ হ'লেও তেওঁলোকৰ বাবে ইছলাম ধৰ্মই অগ্ৰাধিকাৰ লাভ কৰে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/3163

দেশ

হাউছ ছার্জনক যৌন নিৰ্যাতনৰ অভিযোগত কেৰালাত চিকিৎসক আটক

NewzNow ডেস্ক | ১৪ নৱেম্বৰ ২০২৬, নিশা ১১:১০



তিৰুৱনন্তপুৰম, ১৪ নৱেম্বৰ: কেৰালাৰ এখন চৰকাৰী চিকিৎসালয়ত কৰ্মৰত এগৰাকী হাউছ ছার্জনক যৌন নিৰ্যাতনৰ অভিযোগত চিকিৎসক ডাঃ ভি কে বিনুক আটক কৰিছে আৰক্ষীয়ে। শনিবাৰে নিশা প্ৰায় ২ বজাত নেড়ুমাংগাডস্থিত তেওঁৰ বাসগৃহৰ পৰা আৰক্ষীয়ে তেওঁক আটক কৰে।

আৰক্ষীৰ তথ্য অনুসৰি, হাউছ ছার্জন হিচাপে কৰ্মৰত স্নাতকোত্তৰ পৰ্যায়ৰ চিকিৎসা বিজ্ঞানৰ ছাত্ৰীগৰাকীয়ে শুকুৰবাৰে শৰীৰৰ এটা অংশ ফুলি উঠাত চিকিৎসকজনৰ পৰামৰ্শ বিচাৰিছিল।

অভিযোগ অনুসৰি, চিকিৎসকজনে ছাত্ৰীগৰাকীক নিজৰ কোঠালৈ মাতি নি যৌন নিৰ্যাতনৰ চেষ্টা কৰে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/3118

দেশ

ভাৰত ছামিটক লৈ কংগ্ৰেছৰ বিৰুদ্ধে বিজেপিৰ 'বিদেশী নেটৱৰ্ক'ৰ অভিযোগ

NewzNow ডেস্ক | ১৫ নৱেম্বৰ ২০২৬, পুৱা ১০:২৪



হায়দৰাবাদত অনুষ্ঠিত ভাৰত ছামিট ২০২৬ক কেন্দ্ৰ কৰি বিজেপি আৰু কংগ্ৰেছৰ মাজত ৰাজনৈতিক সংঘাত তীব্ৰ হৈ পৰিছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/3143

অসম

'দিমাগী নক্সাল' সকলক শিক্ষা দিয়া হ'ব: নীতিন নবীন

NewzNow ডেস্ক | ১৫ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:৩১




ৰায়গড়, ১৫ নৱেম্বৰ: দেশত সশস্ত্ৰ নক্সালবাদীসকলক নিৰ্মূল কৰা হৈছে যদিও বিভিন্ন সংগঠনৰ নেতৃত্বৰ স্থানত এতিয়াও 'দিমাগী নক্সাল' সক্ৰিয় হৈ আছে বুলি মন্তব্য কৰিছে বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/3291

অসম

কপালত চকু, নাকবিহীন মুখমণ্ডল! ওদালগুৰিত অদ্ভুত আকৃতিৰ ছাগলী পোৱালিৰ জন্ম

NewzNow ডেস্ক | ১৫ নৱেম্বৰ ২০২৬, আবেলি ৬:৫২



ভেৰগাঁও, ১৫ নৱেম্বৰ: ওদালগুৰি জিলাৰ ৰজাগড়ৰ ধৰমজুলিত এজনী ছাগলীয়ে অস্বাভাৱিক আকৃতিৰ পোৱালি জন্ম দিয়াক লৈ অঞ্চলটোত কৌতূহলৰ সৃষ্টি হৈছে।

ধৰমজুলিৰ যাদৱ দাসৰ ঘৰত ছাগলীজনীয়ে দুটা পোৱালি জন্ম দিছে। ইয়াৰে এটা পোৱালিৰ আকৃতি আনটোৰ তুলনাত সম্পূৰ্ণ পৃথক।

পোৱালিটোৰ কপালত চকু, নাকবিহীন মুখমণ্ডল আৰু ফেঁচাৰ দৰে আকৃতি দেখা গৈছে। জন্মৰ পিছৰে পৰা পোৱালিটোৱে স্বাভাৱিকভাৱে চলা-ফুৰা কৰিব পৰা নাই।

অস্বাভাৱিক আকৃতিৰ পোৱালিটোক স্বচক্ষে চাবলৈ বহু লোকে যাদৱ দাসৰ বাসগৃহত ভিৰ কৰিছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/3416

অসম

হৃষীকেশ গোস্বামীলৈ 'কথাৰত্ন' বঁটা

NewzNow ডেস্ক | ১৫ নৱেম্বৰ ২০২৬, আবেলি ৬:২৬



পাঠশালা, ১৫ নৱেম্বৰ: অসম শিশু সাহিত্য ন্যাসৰ সচিব তথা বিশিষ্ট সাহিত্যিক হৃষীকেশ গোস্বামীক দেওবাৰে 'কথাৰত্ন' বঁটা প্ৰদান কৰা হয়।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/3394

অসম

নাজিৰাত অ'এনজিচিৰ পাইপ ফাটি বিষাক্ত গেছ নিৰ্গত, আতংকিত স্থানীয় ৰাইজ

NewzNow ডেস্ক | ১৫ নৱেম্বৰ ২০২৬, আবেলি ৬:২২



নাজিৰা, ১৫ নৱেম্বৰ: শিৱসাগৰ জিলাৰ নাজিৰাত অ'এনজিচিৰ গেছ পৰিবাহী পাইপ ফাটি বিষাক্ত গেছ নিৰ্গত হোৱাৰ ঘটনাক কেন্দ্ৰ কৰি অঞ্চলটোত আতংকময় পৰিস্থিতিৰ সৃষ্টি হৈছে।

পাইপটোৰ পৰা নিৰন্তৰভাৱে গেছ নিৰ্গত হোৱাত ওচৰ-পাঁজৰৰ বাসিন্দাসকলৰ মাজত ভয় আৰু উৎকণ্ঠা বৃদ্ধি পাইছে। ঘটনাটোৰ পাছতে স্থানীয় ৰাইজৰ মাজত নিৰাপত্তাক লৈও চিন্তা দেখা দিছে।

গেছ নিৰ্গমনৰ ফলত কোনো লোক অসুস্থ হৈছে নে নাই, সেই সন্দৰ্ভত এতিয়ালৈকে নিশ্চিত তথ্য লাভ কৰা হোৱা নাই।

নাজিৰাৰ ধিতাইপুখুৰীৰ শিলাকুটি ভকতগাঁও আৰু গেলেকী অঞ্চলত বিগত মাহসমূহতো কেইবাবাৰো পুৰণি পাইপ ফাটি গেছ নিৰ্গত হোৱাৰ ঘটনা ঘটিছিল।

স্থানীয় ৰাইজে পুৰণি পাইপলাইনসমূহ সঠিকভাৱে মেৰামতি নকৰাৰ বাবেই বাৰে বাৰে এনে দুৰ্ঘটনা সংঘটিত হোৱা বুলি অভিযোগ উত্থাপন কৰি আহিছে।

পাইপ ফাটাৰ কাৰণ, ঘটনাস্থলীত অ'এনজিচি কৰ্তৃপক্ষই লোৱা ব্যৱস্থা আৰু পৰিস্থিতি নিয়ন্ত্ৰণলৈ আহিছে নে নাই, সেই বিষয়েও বিতং তথ্যৰ অপেক্ষা কৰা হৈছে।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/3390

অসম

হঠাৎ ৰণক্ষেত্ৰত পৰিণত হ'ল খেলপথাৰ, উত্তপ্ত পৰিস্থিতিত আৰক্ষীৰ লাঠীচালনা

NewzNow ডেস্ক | ১৫ নৱেম্বৰ ২০২৬, আবেলি ৬:১১



মানকাছাৰ, ১৫ নৱেম্বৰ:

খেলপথাৰত হঠাৎ উত্তপ্ত পৰিস্থিতি, ৰণক্ষেত্ৰত পৰিণত পৰিৱেশ! মানকাছাৰত আৰক্ষীৰ লাঠীচালনা। এজন ছাত্ৰই এখন চাৰিচকীয়া বাহন ক্ষতিগ্ৰস্ত কৰাৰ অভিযোগক কেন্দ্ৰ কৰি মহাবিদ্যালয় চৌহদত উত্তেজনাৰ সৃষ্টি হৈছিল আৰু পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে আৰক্ষী মোতায়েন কৰা হৈছিল।

মানকাছাৰৰ এখন খেলপথাৰত খেল চলি থকাৰ সময়তে হঠাৎ উত্তেজনাৰ সৃষ্টি হয়। পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে আৰক্ষীয়ে লাঠীচালনা কৰে।

ঘটনাৰ পিছতে খেল উপভোগ কৰিবলৈ উপস্থিত থকা লোকসকলৰ মাজত হুৰাদুৰাৰ সৃষ্টি হয়। অতি কম সময়ৰ ভিতৰতে খেলপথাৰৰ পৰিৱেশ উত্তপ্ত হৈ পৰে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/3365

অসম

'১০ বছৰত ডাবল ইঞ্জিন চৰকাৰৰ দিনত দুগুণ দুৰ্নীতি আৰু লুণ্ঠন চলাইছে চৰকাৰে' - অখিলেশ যাদৱ

NewzNow ডেস্ক | ১৫ নৱেম্বৰ ২০২৬, আবেলি ৫:৫২



আগ্ৰা, ১৫ নৱেম্বৰ:

'১০ বছৰত ডাবল ইঞ্জিন চৰকাৰৰ দিনত দুগুণ দুৰ্নীতি আৰু লুণ্ঠন চলাইছে চৰকাৰে' । বিগত ১০ বছৰত 'ডাবল ইঞ্জিন' চৰকাৰৰ শাসনকালত দুগুণ দুৰ্নীতি আৰু লুণ্ঠন চলিছে বুলি অভিযোগ উত্থাপন কৰিছে সমাজবাদী পাৰ্টীৰ মুৰব্বী অখিলেশ যাদৱে। দেওবাৰে আগ্ৰাত অনুষ্ঠিত পিডিএ দলিত সম্মিলনত অংশগ্ৰহণ কৰি তেওঁ বিজেপি চৰকাৰক তীব্ৰ সমালোচনা কৰে।

তেওঁৰ দাবী, ২০২৪ চনৰ পৰাই পিডিএৰ শক্তি বৃদ্ধি পোৱাত বিজেপি শংকিত হৈ পৰিছে। পিছপৰা শ্ৰেণী, দলিত আৰু সংখ্যালঘু সম্প্ৰদায়ৰ ৰাজনৈতিক শক্তি বৃদ্ধিয়ে বিজেপিৰ মাজত উদ্বেগৰ সৃষ্টি কৰিছে বুলিও তেওঁ মন্তব্য কৰে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/3361

অসম

'Guns N' Roses' ৰ কনচাৰ্টক লৈ গুৱাহাটীত বিশেষ যান-বাহন নিৰ্দেশনা

NewzNow ডেস্ক | ১৫ নৱেম্বৰ ২০২৬, আবেলি ৬:১০



গুৱাহাটী, ১৫ নৱেম্বৰ: বিশ্ববিখ্যাত আমেৰিকান হাৰ্ড ৰক বেণ্ড 'গানছ এন' ৰোজেছ'ৰ ১৭ নৱেম্বৰৰ কনচাৰ্টক কেন্দ্ৰ কৰি মহানগৰ যান-বাহন আৰক্ষীয়ে বিশেষ যান-বাহন ব্যৱস্থা গ্ৰহণ কৰিছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/3375

অসম

ডিমৰীয়াৰ ৬ সমষ্টি কৰ্তনৰ বিৰোধিতাত ১৮ সংগঠনৰ আইনী আৰু গণতান্ত্ৰিক আন্দোলনৰ সিদ্ধান্ত

NewzNow ডেস্ক | ১৫ নৱেম্বৰ ২০২৬, আবেলি ৫:৩৬



ডিমৰীয়া, ১৪ নৱেম্বৰ: তিৰা স্বায়ত্ব পৰিষদৰ ডিমৰীয়াৰ ৬টা সমষ্টি কৰ্তনৰ প্ৰস্তাৱৰ বিৰুদ্ধে আইনী যুঁজ অব্যাহত ৰখাৰ লগতে শান্তিপূৰ্ণ গণতান্ত্ৰিক আন্দোলন গঢ়ি তোলাৰ সিদ্ধান্ত লৈছে বৃহত্তৰ ডিমৰীয়াৰ ১৮টা জাতি-জনগোষ্ঠীয় সংগঠনে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/3357

অসম

গাৰুঘুলিত পাহাৰ খনন বন্ধ কৰিলে বন বিভাগে

NewzNow ডেস্ক | ১৫ নৱেম্বৰ ২০২৬, আবেলি ৫:২৬



গুৱাহাটী, ১৫ নৱেম্বৰ:

মহানগৰীৰ গড়চুকৰ গাৰুঘুলিত পাহাৰ খনন। ঘৰ নিৰ্মাণৰ বাবে একাংশ লোকে কাটিছে পাহাৰৰ মাটি। পাহাৰৰ মাটি কাটি থকা অৱস্থাতে উপস্থিত বন বিভাগৰ লোক। বন বিভাগৰ লোক উপস্থিত হোৱাৰ পাছতে বন্ধ কৰে খননকার্য। এক্সকেভেটৰেৰে একাংশ লোকে খনন কৰিছিল পাহাৰৰ ভূমি।মহানগৰীৰ গড়চুকৰ গাৰুঘুলিত পাহাৰ খননৰ ঘটনাক কেন্দ্ৰ কৰি চাঞ্চল্য সৃষ্টি হৈছে। ঘৰ নিৰ্মাণৰ উদ্দেশ্যে একাংশ লোকে পাহাৰৰ মাটি কাটি থকাৰ অভিযোগ উঠিছে।

জানিব পৰা মতে, এক্সকেভেটৰেৰে একাংশ লোকে পাহাৰৰ ভূমি খনন কৰি আছিল। ঘৰ নিৰ্মাণৰ উদ্দেশ্যে পাহাৰৰ মাটি কটা হৈছিল বুলি জানিব পৰা গৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/3353

অসম

গুৱাহাটীত ৫ দিনীয়া জনজাতীয় মেলা, ২০২৭ত জনজাতীয় সংগ্ৰহালয় স্থাপনৰ ঘোষণা ৰণোজ পেগুৰ

NewzNow ডেস্ক | ১৫ নৱেম্বৰ ২০২৬, আবেলি ৪:৫০



গুৱাহাটী, ১৫ নৱেম্বৰ: গুৱাহাটীত ৫ দিনীয়া জনজাতীয় মেলা, ২০২৭ত জনজাতীয় সংগ্ৰহালয় স্থাপনৰ ঘোষণা ৰণোজ পেগুৰ অসমৰ শিক্ষা আৰু জনজাতি পৰিক্ৰমা মন্ত্ৰী ড° ৰণোজ পেগুৱে ২০২৭ চনৰ ১০ নৱেম্বৰৰ পৰা গুৱাহাটীত পাঁচদিনীয়াকৈ জনজাতীয় মেলা অনুষ্ঠিত কৰাৰ কথা ঘোষণা কৰিছে। লগতে আগন্তুক বৰ্ষত অসমত এটা জনজাতীয় সংগ্ৰহালয় স্থাপন কৰা হ'ব বুলিও জনাইছে মন্ত্ৰীগৰাকীয়ে।

একেদৰে, আগন্তুক বৰ্ষত অসমত এখন জনজাতীয় সংগ্ৰহালয় স্থাপন কৰা হ'ব বুলি মন্ত্ৰীগৰাকীয়ে জনায়।

একলব্য আদৰ্শ আৱাসিক বিদ্যালয় সন্দৰ্ভত তেওঁ কয় যে, জনজাতীয় শিক্ষাৰ্থীৰ শিক্ষাৰ বাবে দেশজুৰি ২৫,০০...

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/3337

অসম

জাগীৰোডত একশৰণ মহাপুৰুষীয়া সমাজৰ নৱম প্ৰতিষ্ঠা দিৱস পালন

NewzNow ডেস্ক | ১৫ নৱেম্বৰ ২০২৬, আবেলি ৪:৩২



জাগীৰোড, ৩ নৱেম্বৰ: জাগীৰোডৰ হাতীউঠা বৰনলনী পথাৰ শংকৰী কলা-কৃষ্টি কেন্দ্ৰৰ বৰ নামঘৰত তিনিদিনীয়া বৰ্ণাঢ্য কার্যসূচীৰে একশৰণ মহাপুৰুষীয়া সমাজৰ নৱম সংখ্যক প্ৰতিষ্ঠা দিৱস আৰু মহা পালনাম-কীৰ্তন অনুষ্ঠিত হয়।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/3327

অসম

সোণাপুৰৰ ১৪ মাইলত মুকলি জুৱাৰ বেহা!

NewzNow ডেস্ক | ১৫ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:০২



সোণাপুৰ, ১৫ নৱেম্বৰ: ৰাজ্যত জুৱাৰ বিৰুদ্ধে আৰক্ষীৰ অভিযান অব্যাহত থকাৰ মাজতে সোণাপুৰৰ ১৪ মাইলত ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিত মুকলিকৈ জুৱাৰ আড্ডা চলাৰ অভিযোগ উত্থাপন হৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/3295

অসম

'কংগ্রেছৰ চৰিত্ৰ দুমুখীয়া, কংগ্রেছৰ দিনত SIR হ'লে কংগ্রেছে তাক ন্যায্যতা দিয়ে। আৰু বিজেপিয়ে SIR আনিলে বিৰোধ কৰে

NewzNow ডেস্ক | ১৫ নৱেম্বৰ ২০২৬, আবেলি ৪:৩০



১৫ নৱেম্বৰ: ভোটাৰ তালিকাৰ বিশেষ সংশোধন প্ৰক্ৰিয়া অৰ্থাৎ এছআইআৰক লৈ কংগ্রেছৰ বিৰোধিতাৰ সমালোচনা কৰিছে বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই। কংগ্রেছৰ চৰিত্ৰ দুমুখীয়া বুলি তেওঁ মন্তব্য কৰে।

দিলীপ শইকীয়াই কয়, কংগ্রেছৰ শাসনকালত এছআইআৰ হ'লে দলটোৱে তাক ন্যায্যতা দিয়ে। কিন্তু বিজেপিয়ে একে প্ৰক্ৰিয়া আৰম্ভ কৰিলে কংগ্রেছে বিৰোধিতা কৰে।

এনআৰচিৰ প্ৰসংগও উত্থাপন কৰি বিজেপিৰ ৰাজ্যিক সভাপতিগৰাকীয়ে কয় যে কংগ্রেছক এছআইআৰো নালাগে, এনআৰচিও নালাগে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/3323

অসম

BTCৰ 'টপ টেন' বাছনিক লৈ BPF চৰকাৰৰ বিৰুদ্ধে দুৰ্নীতিৰ অভিযোগ, তালিকাৰ পৰা বাদ পৰা ৩ ছাত্ৰ-ছাত্ৰী

NewzNow ডেস্ক | ১৫ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:৩৩



বিটিচিৰ 'টপ টেন'ত স্থান লাভ কৰা ছাত্ৰ-ছাত্ৰীৰ তালিকা আৰু আৰ্থিক সাহায্য প্ৰদানক কেন্দ্ৰ কৰি বিপিএফ চৰকাৰৰ বিৰুদ্ধে অনিয়মৰ অভিযোগ উত্থাপন হৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/3278

অসম

দলঙৰ খহি পৰা আৰু নিৰ্মাণকাৰ্যত অনিয়মৰ অভিযোগ! অসমত ১০গৰাকী গড়কাপ্তানী অভিযন্তা নিলম্বিত

NewzNow ডেস্ক | ১৫ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:৩৩



শিলচৰ, ১৫ নৱেম্বৰ: পেছাগত গাফিলতি, নিম্নমানৰ নিৰ্মাণকাৰ্য আৰু কেইবাখনো দলং খহি পৰাৰ সৈতে জড়িত অনিয়মৰ অভিযোগত ৰাজ্য চৰকাৰে গড়কাপ্তানী বিভাগৰ ১০গৰাকী অভিযন্তাক নিলম্বন কৰিছে।

নিলম্বিতসকলৰ ভিতৰত বৰাক উপত্যকাৰ বিভিন্ন সংমণ্ডলত কৰ্মৰত ৯গৰাকী বিষয়া আৰু হাফলঙত কৰ্মৰত এগৰাকী বিষয়া আছে।

কাতিগড়া-বড়খলা সংমণ্ডলৰ কাৰ্যবাহী অভিযন্তা কল্লোল নাথ আৰু কনিষ্ঠ অভিযন্তা জয়দীপ নাথক নিলম্বন কৰা হৈছে। ধলাই-সোণাই সংমণ্ডলৰ সহকাৰী কাৰ্যবাহী অভিযন্তা পীযূষ চৌধুৰী আৰু ৰতুল দাসকো নিলম্বন কৰা হৈছে।

পাথাৰকান্দি-ৰামকৃষ্ণনগৰ সংমণ্ডলৰ কাৰ্যবাহী অভিযন্তা শৈবল বিশ্বাস আৰু সহকাৰী কাৰ্যবাহী অভিযন্তা সুব্ৰত দাসৰ বিৰুদ্ধেও ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

হাইলাকান্দি সংমণ্ডলৰ কাৰ্যবাহী অভিযন্তা শুভেন্দু দাস, সহকাৰী কাৰ্যবাহী অভিযন্তা অনামুৰ ৰহমান বৰভূঞা ওৰফে বাবু বৰভূঞা আৰু কনিষ্ঠ অভিযন্তা আমিৰ হুছেইন চৌধুৰীকো নিলম্বন কৰা হৈছে।

ইফালে, ডিমা হাছাওৰ উত্তৰ-পূব পৰিষদৰ অধীনত কৰ্মৰত অধীক্ষক অভিযন্তা শাকিল আহমেদকো নিলম্বন কৰা হৈছে। তেওঁ পূৰ্বে ধলাই-সোণাই সংমণ্ডলৰ কাৰ্যবাহী অভিযন্তা হিচাপে কৰ্মৰত আছিল। সেই সময়ছোৱাত সংঘটিত অনিয়মৰ অভিযোগৰ ভিত্তিত তেওঁৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

দলং খহি পৰাৰ ঘটনা, নিৰ্মাণকাৰ্যৰ গুণগত মান আৰু বিভাগীয় তদাৰকীৰ ক্ষেত্ৰত হোৱা গাফিলতিৰ পৰিপ্ৰেক্ষিতত এই শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰা হৈছে বুলি জানিব পৰা গৈছে।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/3315

অসম

শ্ৰীভূমিৰ অনুকূল সাগৰ পুখুৰীত মহাদেৱৰ বিশাল মূৰ্তি উন্মোচন

NewzNow ডেস্ক | ১৫ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:২৯



শ্ৰীভূমি: পৰ্যটকক আকৰ্ষণ কৰাৰ লক্ষ্যৰে শ্ৰীভূমি চহৰৰ অনুকূল সাগৰ পুখুৰীত দেবাদিদেৱ মহাদেৱৰ এক বিশালাকাৰ মূৰ্তি স্থাপন কৰা হৈছে।

দেওবাৰে শ্ৰীভূমি পৌৰসভাৰ উদ্যোগত বৈদিক মন্ত্ৰোচ্চাৰণ আৰু পূজা-অৰ্চনাৰ মাজেৰে মূৰ্তিটো আনুষ্ঠানিকভাৱে উন্মোচন কৰে ৰাজ্যৰ জলসম্পদ মন্ত্ৰী কৃষ্ণেন্দু পালে।

অনুষ্ঠানত সাধাৰণ ৰাইজৰ লগতে শ্ৰীভূমি পৌৰসভাৰ পৌৰপতি ৰবীন্দ্ৰ দেব, জিলা বিজেপিৰ সভাপতি সঞ্জীৱ বণিক আৰু প্ৰাক্তন জিলা বিজেপিৰ সভাপতি সুব্ৰত ভট্টাচাৰ্যকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/3311

অসম

জামুগুৰিহাটৰ তৌভঙাৰ নবিল বহিমৰা ঘাটত ছট পূজা উদযাপন

NewzNow ডেস্ক | ১৫ নৱেম্বৰ ২০২৬, নিশা ৭:৪৬



জামুগুৰিহাট, ১৫ নৱেম্বৰ: ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ সমান্তৰালকৈ জামুগুৰিহাটতো ছট পূজা উৎসৱ উদযাপন কৰা হৈছে।

জামুগুৰিহাটৰ তৌভঙাৰ নবিল বহিমৰা ঘাটত আদৰ্শ নৱযুৱক ছট পূজা উদযাপন সমিতিৰ উদ্যোগত ১৫ আৰু ১৬ নৱেম্বৰত দুদিনীয়াকৈ ৪৪সংখ্যক ছট পূজা উৎসৱ উদযাপন কৰা হৈছে।

পূজা উৎসৱত অঞ্চলটোৰ কেইবাশতাধিক বিহাৰী সম্প্ৰদায়ৰ ধৰ্মপ্ৰাণ লোক আৰু মহিলাই অংশগ্ৰহণ কৰিছে।

উদযাপন সমিতিয়ে জনোৱা মতে, ছট পূজা সূৰ্য দেৱতা আৰু উষা তথা ছটী মা বা ষষ্ঠী দেৱীৰ প্ৰতি উৎসৰ্গিত এক প্ৰাচীন হিন্দু লোকউৎসৱ আৰু বৈদিক পৰম্পৰা।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/3434

অসম

কাজিৰঙাৰ পথ দুৰ্ঘটনাত আহত দুগৰাকীৰ স্বাস্থ্যৰ উন্নতি, JMCHৰ পৰা ঘৰলৈ যোৱাৰ অনুমতি

NewzNow ডেস্ক | ১৫ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:২১



১৫ নৱেম্বৰ: কাজিৰঙাৰ ৰঙাজানত সংঘটিত ভয়ংকৰ পথ দুৰ্ঘটনাত আহত দুগৰাকী ব্যক্তিৰ স্বাস্থ্যৰ উন্নতি ঘটিছে। যোৰহাট চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ জেএমচিএইচত চিকিৎসাধীন দুয়োগৰাকী আহতক চিকিৎসকে ঘৰলৈ উভতি যাবলৈ অনুমতি দিছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/3306

প্ৰযুক্তি

ইতিহাস ৰচিলে ইলন মাস্কৰ spaceXয়ে; মহাকাশলৈ পঠিওৱা ষ্টাৰশ্বিপ যান ঘূৰি অহাৰ পাছত আকাশমাৰ্গতেই সফলতাৰে ধৰিলে SpaceX-এ

NewzNow ডেস্ক | ১৫ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:১৪



টেক্সাছ, ১৫ নৱেম্বৰ: মহাকাশ অভিযানৰ ইতিহাসত নতুন অভিলেখ গঢ়িছে এলন মাস্কৰ মহাকাশ গৱেষণা প্ৰতিষ্ঠান স্পেছএক্সে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/3275

প্ৰযুক্তি

চীনত সম্পূৰ্ণ বৈদ্যুতিক বিমান চিই-২৫এৰ প্ৰথম মানৱচালিত উৰণ সম্পন্ন

NewzNow ডেস্ক | ১৫ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:২৯



বেইজিং, ১৫ নৱেম্বৰ: চীনৰ বিমান নিৰ্মাণ প্ৰতিষ্ঠান কমাকে নিৰ্মাণ কৰা সম্পূৰ্ণ বৈদ্যুতিক বিমান চিই-২৫এৰ প্ৰথম মানৱচালিত উৰণ সফলতাৰে সম্পন্ন হৈছে।

দুগৰাকী পাইলট আৰু এগৰাকী যান্ত্ৰিক কৰ্মীসহ বিমানখনে উৰণ সম্পন্ন কৰে।

চিই-২৫এ বিমানখনত ১৯গৰাকী যাত্ৰী কঢ়িয়াই নিয়াৰ ক্ষমতা আছে। বিমানখনৰ সৰ্বাধিক উৰণ দূৰত্ব ৪০০ কিলোমিটাৰ আৰু ই ঘণ্টাত সৰ্বাধিক ৩০০ কিলোমিটাৰ বেগত উৰিব পাৰে।

প্ৰথম মানৱচালিত উৰণৰ পূৰ্বে বিমানখনে কেইবাটাও স্বয়ংক্ৰিয় পৰীক্ষামূলক উৰণ সম্পন্ন কৰিছিল। সেই পৰীক্ষাসমূহৰ পাছতে বিমানখনত পাইলটসহ উৰণৰ পৰীক্ষা কৰা হয়।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/3287

অসম

ধন দাবীৰ অভিযোগত মণিপুৰত নিষিদ্ধ সংগঠনৰ তিনি সদস্যক গ্ৰেপ্তাৰ

শাহ আলম | ১৫ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:৪০



মণিপুৰ আৰক্ষীয়ে পৃথক অভিযান চলাই নিষিদ্ধ উগ্ৰপন্থী সংগঠনৰ সৈতে জড়িত তিনিজন সক্ৰিয় সদস্যক গ্ৰেপ্তাৰ কৰিছে। ধন দাবীৰ অভিযোগত ১২ আৰু ১৩ নৱেম্বৰত এই অভিযানসমূহ চলোৱা হয়।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/3255

অসম

পৰিকল্পিত হত্যা নে আন কিবা? বাহনৰ ভিতৰতে উদ্ধাৰ চালকৰ মৃতদেহ

NewzNow ডেস্ক | ১৫ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:২৩



জাগীৰোডৰ মনহাতত দেওবাৰে পুৱা পথৰ কাষৰ এটা দ খাৱঁৈত পৰি থকা নিজৰ ছুইফ্ট বাহনৰ ভিতৰত এজন চালকৰ মৃতদেহ উদ্ধাৰ হৈছে। মৃত চালকজনক মৰিগাঁও জিলাৰ দলবাৰীৰ আশ্ৰাফুল ইছলাম বুলি চিনাক্ত কৰা হৈছে।গুৱাহাটীৰ পৰা উভতি অহাৰ সময়ত বাহনখনত থকা এজন লোকৰ আচৰণক লৈ সন্দেহ প্ৰকাশ কৰিছিল চালক আশ্ৰাফুলে।

এএছ-০৪কে-৫০৫১ নম্বৰৰ বাহনখন খাৱঁৈত পৰি থকা অৱস্থাত উদ্ধাৰ হয়। ঘটনাৰ খবৰ লাভ কৰি জাগীৰোড আৰক্ষী ঘটনাস্থলীত উপস্থিত হয়। আৰক্ষীয়ে বাহনখনৰ লগতে আশ্ৰাফুলৰ মৃতদেহ উদ্ধাৰ কৰে।

পৰিয়ালৰ সূত্ৰে জানিব পৰা মতে, শনিবাৰে বুৰাবুৰীৰ পৰা কেইবাজনো লোকে বাহনখন ভাড়ালৈ লৈ গুৱাহাটীলৈ গৈছিল। গুৱাহাটীৰ পৰা উভতি অহাৰ সময়ত বাহনখনত থকা এজন লোকৰ আচৰণক লৈ আশ্ৰাফুলে সন্দেহ প্ৰকাশ কৰিছিল।

সন্দেহ হোৱা লোকজনৰ ফোন নম্বৰ আৰু এখন ফটো আশ্ৰাফুলে তেওঁৰ পত্নীলৈ প্ৰেৰণ কৰিছিল বুলি পৰিয়ালৰ লোকে জনাইছে। সন্দেহ হোৱা লোকজনৰ ফোন নম্বৰ আৰু এখন ফটো আশ্ৰাফুলে পত্নীলৈ প্ৰেৰণ কৰিছিল বুলি জানিব পৰা গৈছে। কিন্তু তাৰ পাছৰে পৰা বন্ধ হৈ পৰে আশ্ৰাফুলৰ ম'বাইল ফোন। ইয়াৰ পিছতে দেওবাৰে পুৱা মনহাত পথৰ কাষৰ দ খাৱঁৈত বাহনখন পৰি থকা অৱস্থাত উদ্ধাৰ হয়।

ঘটনাৰ খবৰ লাভ কৰি জাগীৰোড আৰক্ষী ঘটনাস্থলীত উপস্থিত হয়। আৰক্ষীয়ে বাহনখনৰ লগতে চালকজনৰ মৃতদেহ উদ্ধাৰ কৰে। ঘটনাটোৰ উচিত তদন্ত কৰি মৃত্যুৰ প্ৰকৃত কাৰণ পোহৰলৈ অনাৰ দাবী জনাইছে পৰিয়ালৰ লোকে।আশ্ৰাফুলৰ মৃত্যুক দুৰ্ঘটনা বুলি মানি ল'বলৈ অস্বীকাৰ কৰিছে পৰিয়ালৰ লোকে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/3263

অসম

এটিএমৰ পৰা ওলাল ৫০০ টকীয়া জাল নোট, বেংকত জমা ধন সুৰক্ষিত নহয় নেকি?

NewzNow ডেস্ক | ১৫ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:০১



পাঠশালা, ১৫ নৱেম্বৰ: এটিএমৰ পৰা ওলাল ৫০০ টকীয়া জাল নোট, বেংকত জমা ধন সুৰক্ষিত নহয় নেকি? বজালী জিলাৰ পাঠশালাৰ মাজমজিয়াত থকা ইউনিয়ন বেংকৰ এটা এটিএমৰ পৰা ৫০০ টকীয়া জাল নোট ওলোৱাৰ অভিযোগ উত্থাপন হৈছে। ঘটনাটোক লৈ অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি হৈছে।

পাঠশালাৰ কুকুৰা বাটাবাৰীৰ বাসিন্দা অতুল পাটগিৰিয়ে বেংকটোৰ এটিএমৰ পৰা ধন উলিওৱাৰ সময়ত জাল নোটখন লাভ কৰা বুলি অভিযোগ কৰিছে। তেওঁৰ দাবী অনুসৰি, এটিএমৰ পৰা উলিওৱা ধনৰ মাজতে ৫০০ টকীয়া নোটখন আছিল, ?যিখন ভুৱা বুলি গম পোৱা গৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/3259

অসম

লক্ষীপুৰ থানাৰ খিৰিকীৰ গ্ৰীল ভাঙি দুই অভিযুক্তৰ পলায়ন

শাহ আলম | ১৫ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:৩৩



গোৱালপাৰা, ১৫ নৱেম্বৰ: গোৱালপাৰা জিলাৰ লক্ষীপুৰ আৰক্ষী থানাৰ জিম্মাৰ পৰা দুজন অভিযুক্ত পলায়ন কৰাৰ অভিযোগ উঠিছে। খিৰিকীৰ গ্ৰীল ভাঙি দুয়ো অভিযুক্ত পলাই যায় বুলি জানিব পৰা গৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/3245

অসম

বানপানীৰ বিপদাশংকা চিনাক্ত কৰিবলৈ অসমত আনা হ'ব নতুন আইন, বৈজ্ঞানিক পদ্ধতিৰে হ'ব ব্ৰহ্মপুত্ৰ-বৰাক অৱবাহিকাৰ মানচিত্ৰ প্ৰস্তুত

NewzNow ডেস্ক | ১৫ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:১১



গুৱাহাটী, ১৫ নৱেম্বৰ: অসমৰ বানপানী আৰু গৰাখহনীয়াৰ সমস্যা মোকাবিলা কৰাৰ লগতে পৰিকল্পিত উন্নয়নৰ লক্ষ্যৰে 'অসম বানপানী সমভূমি অঞ্চল নিৰ্ধাৰণ বিধেয়ক, ২০২৬' প্ৰস্তাৱ কৰা হৈছে। দেওবাৰে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে বিধেয়কখনৰ উদ্দেশ্য আৰু বিভিন্ন দিশ প্ৰকাশ কৰে।

মুখ্যমন্ত্ৰীগৰাকীৰ মতে, প্ৰস্তাৱিত আইনখনৰ জৰিয়তে ব্ৰহ্মপুত্ৰ আৰু বৰাক নদীৰ অৱবাহিকাৰ বৈজ্ঞানিক মানচিত্ৰ প্ৰস্তুত কৰা হ'ব। বানপানীৰ বিপদাশংকা থকা অঞ্চলসমূহ চিনাক্ত কৰি সেই অনুসৰি ভূমিৰ ব্যৱহাৰ আৰু নিৰ্মাণকাৰ্য নিয়ন্ত্ৰণৰ ব্যৱস্থা কৰা হ'ব।

ইয়াৰ বাবে লাইডাৰ প্ৰযুক্তি আৰু উপগ্ৰহভিত্তিক মানচিত্ৰ ব্যৱহাৰৰ প্ৰস্তাৱ গ্ৰহণ কৰা হৈছে। বিধেয়কখনত বানপানীৰ আশংকাৰ ভিত্তিত অঞ্চলসমূহক নিষিদ্ধ, নিয়ন্ত্ৰিত আৰু অনিয়ন্ত্ৰিত - এই তিনিটা ভাগত বিভক্ত কৰাৰ প্ৰস্তাৱ দিয়া হৈছে।

নদীৰ মূল সুঁতি আৰু সক্ৰিয় জলপ্ৰবাহৰ অঞ্চলত কোনো ধৰণৰ নিৰ্মাণকাৰ্যৰ অনুমতি দিয়া নহ'ব। নিয়ন্ত্ৰিত অঞ্চলত নিৰ্মাণৰ ক্ষেত্ৰত ওখ ভেটি আৰু বানপানী-প্ৰতিৰোধী নিৰ্মাণশৈলী বাধ্যতামূলক কৰাৰ প্ৰস্তাৱ আছে। আনহাতে, বানৰেখাৰ বাহিৰৰ অঞ্চলত স্বাভাৱিক উন্নয়নমূলক কাম-কাজৰ অনুমতি থাকিব।


প্ৰস্তাৱিত বিধেয়কখনত বৰ্তমানৰ বৈধ সম্পত্তিৰ গৰাকীসকলৰ স্বাৰ্থ সুৰক্ষাৰ ব্যৱস্থাও ৰখা হৈছে। লগতে, যিকোনো সিদ্ধান্তৰ পূৰ্বে ৬০ দিনীয়া ৰাজহুৱা শুনানি আৰু আপত্তি দাখিলৰ সময়সীমা থাকিব। আপীল দাখিলৰ বাবে অনলাইন আৰু প্ৰত্যক্ষ - দুয়োটা ব্যৱস্থা ৰখাৰ প্ৰস্তাৱ দিয়া হৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/3241

অসম

হামৰেণত নাবালিকাক দীৰ্ঘদিন ধৰি যৌন নিৰ্যাতনৰ অভিযোগ

NewzNow ডেস্ক | ১৫ নৱেম্বৰ ২০২৬, পুৱা ১১:১৭



হামৰেণ: পশ্চিম কাৰ্বি আংলঙৰ সদৰ চহৰ হামৰেণত এগৰাকী নাবালিকাৰ ওপৰত দীৰ্ঘদিন ধৰি যৌন নিৰ্যাতন চলোৱাৰ এক গুৰুতৰ অভিযোগ পোহৰলৈ আহিছে। অভিযোগ অনুসৰি, এজন লোকে প্ৰায় দুবছৰ ধৰি কিশোৰীগৰাকীক নিৰ্যাতন চলাই আহিছিল।

জানিব পৰা মতে, কিশোৰীগৰাকী অষ্টম শ্ৰেণীত অধ্যয়ন কৰি থকাৰ সময়ৰে পৰাই নিৰ্যাতনৰ বলি হৈ আহিছিল। আৰ্থিকভাৱে অতি দুৰ্বল পৰিয়ালটোৰ আৰ্থিক দুৰৱস্থা আৰু অসহায় অৱস্থাৰ সুযোগ লৈ অভিযুক্তই এই নিৰ্যাতন চলাইছিল বুলি অভিযোগ উঠিছে।

কিশোৰীগৰাকীৰ এগৰাকী আত্মীয়ই শেহতীয়াকৈ বিষয়টো ৰাজহুৱাভাৱে প্ৰকাশ কৰাৰ পাছতে ঘটনাটো পোহৰলৈ আহে। স্কুলীয়া ছাত্ৰীগৰাকীৰ ওপৰত প্ৰায় দুবছৰ ধৰি এনে নিৰ্যাতন চলাৰ অভিযোগে জিলাখনত তীব্ৰ চাঞ্চল্য আৰু ক্ষোভৰ সৃষ্টি কৰিছে।

স্থানীয় ৰাইজ আৰু বিভিন্ন দল-সংগঠনে ঘটনাটোৰ নিৰপেক্ষ তদন্তৰ দাবী জনাইছে। লগতে অভিযুক্তক শীঘ্ৰে কৰায়ত্ত কৰি দোষ প্ৰমাণিত হ'লে আইন অনুসৰি কঠোৰ ব্যৱস্থা গ্ৰহণ, নাবালিকাগৰাকীৰ সুৰক্ষা আৰু ন্যায় নিশ্চিত কৰাৰ দাবী উত্থাপন কৰিছে।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/3189

অসম

মাধ্যমিকত বিদ্যাঅসমত মাধ্যমিক স্তৰত বিদ্যালয় এৰা শিক্ষাৰ্থীৰ হাৰ ১৪.৩ শতাংশলৈ হ্ৰাস, তথাপি ৰাষ্ট্ৰীয় গড়তকৈ অধিক

NewzNow ডেস্ক | ১৫ নৱেম্বৰ ২০২৬, পুৱা ১০:২১



গুৱাহাটী, ১৫ নৱেম্বৰ: অসমত মাধ্যমিক স্তৰৰ নৱম আৰু দশম শ্ৰেণীত বিদ্যালয় এৰা শিক্ষাৰ্থীৰ হাৰ ১৪.৩ শতাংশলৈ হ্ৰাস পাইছে। কিন্তু এই হাৰ ৰাষ্ট্ৰীয় গড় ৯.৫ শতাংশতকৈ এতিয়াও যথেষ্ট অধিক।

শেহতীয়া ইউডাইছ প্লাছ ২০২৫-২৬ৰ তথ্য অনুসৰি, মাধ্যমিক স্তৰত ৰাজ্যখনৰ ল'ৰা শিক্ষাৰ্থীৰ বিদ্যালয় এৰাৰ হাৰ ১৪.৭ শতাংশ। ছোৱালী শিক্ষাৰ্থীৰ ক্ষেত্ৰত এই হাৰ ১৩.৯ শতাংশ। ফলত এই স্তৰত ল'ৰা শিক্ষাৰ্থীৰ বিদ্যালয় এৰাৰ প্ৰৱণতা তুলনামূলকভাৱে অধিক বুলি তথ্যত প্ৰকাশ পাইছে।

প্ৰাথমিক স্তৰত অসমৰ বিদ্যালয় এৰা শিক্ষাৰ্থীৰ হাৰ ১.৪ শতাংশ, য'ত ৰাষ্ট্ৰীয় গড় ০.৩ শতাংশ। উচ্চ প্ৰাথমিক স্তৰত ৰাজ্যখনৰ হাৰ ৪.৩ শতাংশ, আনহাতে ৰাষ্ট্ৰীয় গড় ৩.৬ শতাংশ। উচ্চতৰ মাধ্যমিক স্তৰত নামভৰ্তিৰ ক্ষেত্ৰতো অসমৰ স্থিতি দুৰ্বল। এই স্তৰত ৰাজ্যখনৰ মুঠ নামভৰ্তিৰ অনুপাত ৪৫.১ শতাংশ, আনহাতে ৰাষ্ট্ৰীয় গড় ৬১.৭ শতাংশ। তথ্য অনুসৰি, প্ৰাথমিক স্তৰত নামভৰ্তিৰ ক্ষেত্ৰত অগ্ৰগতি দেখা গ'লেও অষ্টম শ্ৰেণীৰ পাছত শিক্ষাৰ্থীক বিদ্যালয়ত ধৰি ৰখাটো ৰাজ্যখনৰ বাবে এতিয়াও এক ডাঙৰ প্ৰত্যাহ্বান হৈ আছে।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/3145

উত্তৰ-পূর্বাঞ্চল

ৰাংগালা উৎসৱত গিনিজ বিশ্ব অভিলেখ

NewzNow জিলা ডেস্ক | ১৫ নৱেম্বৰ ২০২৬, পুৱা ৯:৫৯



চিব্রাগ্রে, ১৪ নৱেম্বৰ: মেঘালয়ৰ গাৰো হেৰিটেজ ভিলেজত অনুষ্ঠিত ১০০ ড্রামছ ৰাংগালা উৎসৱে গিনিজ বিশ্ব অভিলেখত স্থান লাভ কৰিছে। শনিবাৰে ১,০০০জন পৰম্পৰাগত ঢোলবাদক আৰু ৩,০০০জন নৃত্যশিল্পীয়ে একেলগে প্রদর্শন আগবঢ়ায়।

তুৰাৰ সমীপৰ চিব্রাগ্রেত অনুষ্ঠিত গাৰো সংস্কৃতিৰ এই বার্ষিক উৎসৱৰ সোণালী জয়ন্তী বর্ষত অভিলেখটো গঢ়া হয়। ১১ নৱেম্বৰৰ পৰা আৰম্ভ হোৱা চাৰিদিনীয়া উৎসৱৰ ১৪ নৱেম্বৰৰ সামৰণিৰ দিনা এই প্রদর্শন অনুষ্ঠিত হয়।

সামৰণি অনুষ্ঠানত কেন্দ্রীয় পর্যটন আৰু সংস্কৃতিমন্ত্রী গজেন্দ্র সিং শেখাৱতে কয় যে, গাৰো পাহাৰ অঞ্চলক এক প্র...

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/3140

অসম

অন্তিম এদিনীয়াত ২২ ৰানত নিউজিলেণ্ডক পৰাস্ত কৰি শৃংখলা জয় ভাৰতৰ, উজলিল ভাৰতীয় বলাৰ

NewzNow ডেস্ক | ১৫ নৱেম্বৰ ২০২৬, আবেলি ৫:০৩



মাউণ্ট মাউংগানুই, ১৫ নৱেম্বৰ: ৰে' অভেলত অনুষ্ঠিত পঞ্চম তথা অন্তিম এদিনীয়া আন্তঃৰাষ্ট্রীয় মেচত নিউজিলেণ্ডক ২২ ৰানত পৰাস্ত কৰি ভাৰতে পাঁচখনীয়া শৃংখলা ৩-১ ব্যৱধানত জয় কৰিছে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/3341

অসম

অৰ্শদীপ-ছিৰাজৰ দশম উইকেটৰ যুটিৰে ভাৰতৰ ২২ ৰানৰ জয়

NewzNow ডেস্ক | ১৫ নৱেম্বৰ ২০২৬, আবেলি ৫:০৭



মাউণ্ট মাউংগানুই, ১৫ নৱেম্বৰ: নিউজিলেণ্ডৰ বিৰুদ্ধে পঞ্চম তথা অন্তিম এদিনীয়া আন্তঃৰাষ্ট্রীয় মেচত ২২ ৰানত জয়লাভ কৰি ভাৰতে পাঁচখনীয়া শৃংখলাটো ৩-১ ব্যৱধানত নিজৰ দখললৈ আনিছে।

প্রথমে বেটিং কৰি ভাৰতে ২০৯ ৰানত অলআউট হয়। ইনিংছৰ শেষত ১১ নম্বৰত বেটিং কৰিবলৈ নামি অৰ্শদীপ সিঙে মাত্র ৪টা বলত দুটা ছয়েৰে ১৪ ৰান সংগ্রহ কৰে। মহম্মদ ছিৰাজৰ সৈতে দশম উইকেটত ২৬ ৰানৰ গুৰুত্বপূর্ণ যুটি গঢ়ে তেওঁ। ছিৰাজে ২৬টা বলত অপৰাজিত ১৪ ৰান কৰে।

২১০ ৰানৰ লক্ষ্য আগত ৰাখি খেলিবলৈ নামি নিউজিলেণ্ডৰ ইনিংছ ১৮৭ ৰানতে সামৰণি পৰে। বলিঙতো উজলি উঠে অৰ্শদীপ। তেওঁ ৩০ ৰানৰ বিনিময়ত তিনিটা উইকেট দখল কৰে। উইল ইয়ং আৰু নিক কেলিক একেৰাহে আউট কৰি তেওঁ ভাৰতক মেচখনলৈ ঘূৰাই আনে।

মেচৰ শ্রেষ্ঠ খেলুৰৈৰ সম্মান লাভ কৰাৰ পিছত অৰ্শদীপে কয় যে, ছিৰাজে তেওঁক কৈছিল যে এই ৰানকেইটা মেচখনৰ বাবে অতি গুৰুত্বপূর্ণ হ'ব। দুয়োজনে ভাৰতৰ স্ক'ৰ ২০০ ৰান অতিক্রম কৰাৰ লক্ষ্য লৈছিল বুলিও তেওঁ জনায়।

পূর্বৰ মেচখনত ২৪৪ ৰানত পৰাস্ত হোৱাৰ পিছত এই জয় ভাৰতৰ বাবে বিশেষ গুৰুত্বপূর্ণ হৈ পৰে।

সম্পূর্ণ খবৰ:
https://newznow.in/news/3345

NewzNow ই-কাকত: প্রতিদিনে সন্ধিয়া newznow.in/epaper-ত। প্রতিটো খবৰৰ সম্পূর্ণ বিৱৰণ, ভিডিঅ' আৰু আপডেট newznow.in-ত পঢ়ক।
খবৰ শুনক: newznow.in/listen